অধ্যায় ১৪ ঃ জনসাধাৰণৰ অভিযোগ প্ৰতিকাৰ ব্যৱস্থাপনাসমূহ লোকপাল আৰু লোকআয়ুক্ত; তথ্য জনাৰ অধিকাৰ আইন, ২০০৫

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ অম্বুড্চ্মেন অনুষ্ঠান
১৪.৪ লোকপাল আৰু লোকআয়ুক্ত অনুষ্ঠানৰ বিকাশ
১৪.৪.১ লোকপাল অনুষ্ঠান
১৪.৪.২ ৰাজ্যসমূহত লোকআয়ুক্ত অনুষ্ঠান
১৪.৫ তথ্য জনাৰ অধিকাৰ আইন, ২০০৫
১৪.৫.১ তথ্য জনাৰ অধিকাৰ আইন, ২০০৫ৰ পটভূমি
১৪.৫.২ তথ্য জনাৰ অধিকাৰ আইন, ২০০৫ৰ বিকাশ
১৪.৫.৩ তথ্য জনাৰ অধিকাৰ আইন, ২০০৫ৰ গুৰুত্বপূৰ্ণ উপবন্ধসমূহ
১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৭ অধিক জানিবলৈ
১৪.৮ অগ্ৰগতিৰ খতিয়ান
১৪.৯ আহি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অম্বুড্চ্মেন অনুষ্ঠানৰ বিষয়ে অৱগত হ'ব পাৰিব
- ভাৰতবৰ্ষত লোকপাল অনুষ্ঠানৰ বিকাশৰ বিষয়ে বৰ্ণনা দিব পাৰিব
- ৰাজ্যসমূহত লোকআয়ুক্ত অনুষ্ঠানৰ বিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব
- তথ্য জনাৰ অধিকাৰ আইন, ২০০৫ৰ বিকাশৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- তথ্য জনাৰ অধিকাৰ আইন, ২০০৫ৰ উপবন্ধসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১৪.২ পৰিচয়

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি তথ্য জনাৰ অধিকাৰৰ বিভিন্ন দিশসমূহৰ লগতে লোকপাল আৰু লোকআয়ুক্ত অনুষ্ঠানৰ বিষয়ে অৱগত হ'ব পাৰিব। আমি ইয়াত তথ্য জনাৰ অধিকাৰ ধাৰণাটোৰ বিকাশৰ লগতে লোকপাল আৰু লোকআয়ুক্ত অনুষ্ঠানসমূহ কেনেকৈ ভাৰতলৈ আহিল তাৰ বিষয়ে আলোচনা কৰিম। আমি ইয়াত তথ্য জনাৰ অধিকাৰ ধাৰণাৰ

বিকাশ আৰু লোকপাল, লোকআয়ুক্ত অনুষ্ঠানসমূহৰ বিভিন্ন দেশত হোৱা বিকাশৰ বিষয়েও আলোচনা কৰিম; যাতে আপুনি ইয়াৰ এক তুলনামূলক অধ্যয়ন কৰিব পাৰে। প্ৰথমে আমি লোকপাল আৰু লোকআয়ুক্ত অনুষ্ঠানৰ বিষয়ে অৰ্থাৎ, জনসাধাৰণৰ অভিযোগ প্ৰতিকাৰ ব্যৱস্থাপনাৰ বিষয়ে আৰু তাৰ পিছত 'তথ্য জনাৰ অধিকাৰ'ৰ বিষয়ে আলোচনা কৰিম।

১৪.৩ অম্বুড্চ্‌মেন অনুষ্ঠান

এখন সভ্য সমাজৰ চৰকাৰৰ, বিশেষকৈ গণতান্ত্ৰিক চৰকাৰৰ মুখ্য উদ্দেশ্য হৈছে জনসাধাৰণৰ সুখ-সমৃদ্ধি আৰু কল্যাণ সাধন কৰা। কিন্তু বৰ্তমান মুখ্য সমস্যাটো হৈছে অধিক সংখ্যক নাগৰিকেই চৰকাৰৰ বিভিন্ন সেৱা সমূহৰ পৰা বঞ্চিত হৈ থাকে। চৰকাৰী কৰ্মচাৰীসকলৰ দুৰ্নীতি, অৱহেলা, অদূৰদৰ্শিতাই জনসাধাৰণৰ অভাৱ-অভিযোগৰ মূল কাৰণ।

তদুপৰি, ৰাষ্ট্ৰৰ কাৰ্যাৱলীৰ প্ৰকৃতিৰ পৰিবৰ্তন আৰু ক্ৰমবৰ্দ্ধমান চৰকাৰী কাৰ্যাৱলীয়ে বৰ্তমান সময়ত জনসাধাৰণৰ দৈনন্দিন জীৱনৰ ওপৰত প্ৰশাসনৰ নিয়ন্ত্ৰণ বৃদ্ধি কৰিছে। সেয়েহে, জনসাধাৰণৰ বাবে অভিযোগ প্ৰতিকাৰ ব্যৱস্থাপনাৰ প্ৰয়োজনীয়তা আহি পৰিছে।

লোকপাল আৰু লোকআয়ুক্ত অনুষ্ঠানৰ বিকাশৰ বিষয়ে সঠিককৈ জানিবলৈ হ'লে, আমি অম্বুড্চ্‌মেন অনুষ্ঠানৰ বিষয়ে জানিব লাগিব। অম্বুড্চ্‌মেন হৈছে জনসাধাৰণৰ অভিযোগ প্ৰতিকাৰৰ এক ব্যৱস্থাপনা আৰু আৰম্ভণিতে ই কেৱল স্কেণ্ডিনেভিয়ান দেশসমূহতহে প্ৰচলিত আছিল। অম্বুড্চ্‌মেন হৈছে এক চুইডিছ শব্দ আৰু ইয়াৰ অৰ্থ হৈছে চৰকাৰী কৰ্তৃপক্ষৰ কু-শাসনৰ বিৰুদ্ধে দিয়া অভিযোগসমূহৰ নিষ্পত্তি কৰাৰ বাবে বিধানমণ্ডলে নিযুক্তি দিয়া 'কমিছনাৰ' বা 'বিষয়া'। চুইডেনত ডেৰ শতিকাজুৰি অম্বুড্চ্‌মেন অনুষ্ঠান কাৰ্যকৰী হৈ আছিল। কিন্তু ১৯৫৪ চনত ডেনমাৰ্কত ইয়াৰ প্ৰবৰ্তনৰ পিছতহে ই অন্যান্য দেশসমূহৰ দৃষ্টি আকৰ্ষণ কৰে। ১৯৬২ চনত প্ৰথমখন 'কমনৱেলথ্' দেশ হিচাপে নিউজিলেণ্ডে ইয়াক গ্ৰহণ কৰে। গ্ৰেট ব্ৰিটেইনত অম্বুড্চ্‌মেন অনুষ্ঠান পোন প্ৰথমবাৰৰ বাবে ১৯৬৭ চনৰ 'পার্লিয়ামেণ্টেৰী কমিছনাৰ এক্ট' (Parliamentary Commissioner Act) প্ৰতিষ্ঠা কৰে। ভাৰতত লোকপাল আৰু লোক আয়ুক্ত অনুষ্ঠানসমূহেই হৈছে অম্বুড্চ্‌মেনৰ দৰে অনুষ্ঠান। অষ্ট্ৰেলিয়াতো অম্বুড্চ্‌মেন ব্যৱস্থা আছে আৰু ইয়াত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা থকা বাবে দুই ধৰণৰ অম্বুড্চ্‌মেন ব্যৱস্থা আছে। আমেৰিকাতো একেদৰে বিভিন্ন বিভাগত কংগ্ৰেছৰ অনুসন্ধান আৰু অভিযোগ কোষ গঠন কৰা হয়; যেনে— পুলিচ ৰিভিউ ব'ৰ্ড (Police Review Board)এ অম্বুড্চ্‌মেনৰ দৰে দায়িত্ব পালন কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ 'অম্বুড্চ্‌মেন' জনসাধাৰণৰ অভিযোগ প্ৰতিকাৰ কৰা এক অনুষ্ঠান। (শুদ্ধ/অশুদ্ধ)।

.....

প্ৰশ্ন নং ২ঃ ১৯৬২ চনত ইয়াক গ্ৰহণ কৰা প্ৰথমখন কমনৱেলথ দেশ হৈছে .....। (খালী ঠাই পূৰ কৰক)।

.....

প্ৰশ্ন নং ৩ঃ ভাৰতবৰ্ষৰ যিকোনো অম্বুড্চমেনৰ দৰে অনুষ্ঠানৰ নাম উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৪ঃ অম্বুড্চ্মেন অনুষ্ঠানটো পোন প্ৰথমে গঠন হৈছিল আমেৰিকাত। (শুদ্ধ/অশুদ্ধ)।

.....

১৪.৪ লোকপাল আৰু লোকআয়ুক্ত অনুষ্ঠানৰ বিকাশ

১৪.৪.১ লোকপাল অনুষ্ঠান

স্বাধীনতাৰ সময়ৰ পৰাই ভাৰতবৰ্ষত জনসাধাৰণৰ অভিযোগ প্ৰতিকাৰৰ বিষয়টোৱে বিশেষ গুৰুত্ব লাভ কৰি আহিছে। বিভিন্ন উল্লেখযোগ্য ব্যৱস্থাও এই দিশত গ্ৰহণ কৰি অহা হৈছে। ১৯৪৭ চনত দুৰ্নীতি-প্ৰতিৰোধক বিধেয়কখন আইনত পৰিণত হয়। দুৰ্নীতি প্ৰতিৰোধৰ বাবে বিভিন্ন সমিতি-আয়োগ গঠন কৰি অহা হৈছে আৰু বিভিন্ন সমিতি আয়োগসমূহেও বিভিন্ন পৰামৰ্শ দি আহিছে। উদাহৰণস্বৰূপে টেক চান্দ কমিটী (Tek Chand Committee) (১৯৪৯) ৰেলৱে দুৰ্নীতি অনুসন্ধান সমিতি (The Railway's Corruption Inquiry Committee) (কৃপালানী সমিতি নামেৰেও জনা যায়।), ১৯৫৩ ভিভিয়ান বসু কমিটী (Vivian Bose Committee) (১৯৫৬), ইত্যাদি।

আকৌ ১৯৬২ চনত ভাৰত চৰকাৰে গঠন কৰে 'দুৰ্নীতি প্ৰতিৰোধ সমিতি' আৰু ১৯৬৪ চনত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে কেন্দ্ৰীয় সতৰ্কতা আয়োগ গঠন কৰে।

তথাপিও এক নতুন আৰু অধিক কাৰ্যক্ষম সমস্যা সমাধানৰ প্ৰক্ৰিয়াটো চলি থাকে। অম্বুড্চ্মেনৰ দৰে অনুষ্ঠানৰ প্ৰয়োজনীয়তাৰ বিষয়ে সকলো স্তৰতে অনুভৱ কৰা হয়।

ভাৰতবৰ্ষৰ ভূতপূৰ্ব এণ্টৰ্ণী জেনেৰেল, শ্ৰীএম চি চেটলবেদে (Sri M. C. Setalvad) ১৯৬২ চনৰ অল ইণ্ডিয়া লয়াৰ্ছ সম্মিলনত (All India Lawyers' Conference) নিজস্ব ভাষণত অম্বুড্চ্মেনৰ দৰে অনুষ্ঠানৰ গঠনৰ বিষয়ে পৰামৰ্শ দিয়ে। এই পৰামৰ্শটো প্ৰশাসনীয় সংস্কাৰ আয়োগে বিশদভাৱে আলোচনা কৰি ইয়াৰ অন্তৰ্বৰ্তীকালীন প্ৰতিবেদনত ১৯৬৬ চনৰ ১৪ অক্টোবৰত চৰকাৰৰ ওচৰত বিষয়টো

উত্থাপন কৰে। পৰামৰ্শসমূহৰ ওপৰত ভিত্তি কৰি চৰকাৰে ১৯৬৮ চনত পোন প্ৰথমবাৰৰ বাবে লোকপাল আৰু লোকআয়ুক্ত বিধেয়কখন সংসদত উত্থাপন কৰে; কিন্তু পিছত বিধেয়কখন খাৰিজ হয়। তেতিয়াৰে পৰা বিভিন্ন সময়ত এই বিধেয়কখন সদনত উত্থাপন হৈ আহিছে যদিও ই আইনত পৰিণত নহ'ল। ইউনাইটেড ফ্ৰণ্ট চৰকাৰে ১৯৯৬ চনৰ ছেপ্টেম্বৰ মাহত লোকসভাত লোকপাল বিধেয়ক উত্থাপন কৰে। বিধেয়কখনে বিভিন্ন চৰকাৰী বিভাগৰ বিৰুদ্ধে উত্থাপন হোৱা দুৰ্নীতিৰ অভিযোগসমূহ নিৰীক্ষণ কৰাৰ বাবে এটা ব্যৱস্থাপনা স্থাপনৰ বাবে চেষ্টা কৰিছিল। এই বিধেয়কখনে লোকপালক প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, কেবিনেট মন্ত্ৰী, ৰাজ্যিক মন্ত্ৰী, উপমন্ত্ৰী আৰু সাংসদসকলৰ বিৰুদ্ধে উত্থাপিত হোৱা অভিযোগসমূহ অনুসন্ধান কৰাৰ ক্ষমতা প্ৰদান কৰিছিল। শেষতীয়াকৈ ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা চৰকাৰে লোকপাল বিধেয়ক, ২০০৩ সাংসদত উত্থাপন কৰে। এই বিধেয়কখনে প্ৰধানমন্ত্ৰীৰ কাৰ্যকলাপো লোকপালৰ ক্ষমতাৰ পৰিধিৰ অন্তৰ্ভুক্ত কৰে। কিন্তু বৰ্তমানলৈকে এই বিধেয়কখনো আইনত পৰিণত হোৱা নাই।

ভাৰত চৰকাৰে ২০১০ত লোকপাল বিধেয়কখনৰ খচৰা প্ৰস্তুত কৰে। তৎসত্বেও নাগৰিক সমাজে বহু দুৰ্নীতি প্ৰতিৰোধক এই বিধেয়কখনক অকাৰ্যকৰী বুলি বিবেচনা কৰিছিল। দুৰ্নীতিৰ বিৰুদ্ধে ভাৰত (India Against Corruption) সূচকৰ অধীনত তেওঁলোকে লোকপাল বিধেয়কত এটা নাগৰিক বিৱৰণীৰ সূচনা কৰে। ইয়াকেই পাছত জন লোকপাল বিধেয়ক বুলি জনা যায়। সমাজকৰ্মী আন্না হাজাৰেই এইখন লোকপাল বিধেয়কৰ সমৰ্থনত সমগ্ৰ ৰাষ্ট্ৰব্যাপী জনগণক সঞ্চাৰিত কৰি তুলিবলৈ সক্ষম হৈছিল।

অৱশেষত, ২০১১ চনৰ ডিচেম্বৰত লোকসভাই লোকপাল আৰু লোক আয়ুক্ত বিধেয়ক, ২০১১ৰ অনুমোদন জনায়। এই বিধেয়ক অনুসৰি লোকপালত ৯জন সদস্য থাকিব লাগিব। লোকপালৰ অধ্যক্ষজন উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বা দেশৰ যিকোনো এখন উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ৰূপে কাৰ্যনিৰ্বাহ কৰা বা কৰি থকা হোৱা উচিত। প্ৰধানমন্ত্ৰী, লোকসভাৰ অধ্যক্ষ, লোকসভাৰ বিৰোধী দলৰ দলপতি আৰু ভাৰতৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক অন্তৰ্ভুক্ত কৰি লোকপালৰ চাৰিজনীয়া সমিতিখন গঠিত হ'ব লাগিব। দেশৰ প্ৰধানমন্ত্ৰীজনো নিৰ্দিষ্ট চৰ্ত অনুসৰিহে লোকপালৰ আওতালৈ আহিব পাৰিব। তদুপৰি লোকপালৰ কেৱল আদালতত গোচৰ তৰাৰহে থল আছে, কিন্তু অনুসন্ধান কৰাৰ কোনো থল নাথাকে। লোকপালে নিজাববীয়াকৈ কোনো অভিযোগৰ তদন্ত কৰিব নোৱাৰে কিন্তু অভিযোগৰ বিপৰীতে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব পাৰে।

কিন্তু লোকপালক এক সাংবিধানিক মৰ্যাদা প্ৰদান কৰাৰ বিধেয়কখন গৃহীত নহ'ল। লোকপাল আৰু লোক আয়ুক্ত ২০১১, বিধেয়কখনৰ কেইবাটাও সংশোধন প্ৰস্তাৱ ইতিমধ্যে উত্থাপন কৰা হৈছে।

১৪.৪.২ ৰাজ্যসমূহত লোক আয়ুক্ত অনুষ্ঠান

যি সময়ত কেন্দ্ৰত লোকপাল অনুষ্ঠান স্থাপন কৰাৰ ক্ষেত্ৰত কোনো অগ্ৰগতি লাভ কৰা নাছিল; সেই সময়ত বুজন সংখ্যক ৰাজ্যত লোকআয়ুক্ত আইনৰ যোগেদি অম্বুড্চমেন ব্যৱস্থা গঠন কৰা হৈছিল। এই ক্ষেত্ৰত লোকআয়ুক্ত আইন, ১৯৭১ গ্ৰহণ কৰি উৰিষ্যা লোক আয়ুক্ত অনুষ্ঠান থকা প্ৰথমখন ৰাজ্যত হিচাপে পৰিণত হৈছিল। একেদৰে উৰিষ্যাক অনুসৰণ কৰিছিল উত্তৰ প্ৰদেশে লোকআয়ুক্ত আৰু উপ-লোকআয়ুক্ত আইন, ১৯৭৫ গ্ৰহণৰ দ্বাৰা, বিহাৰে লোকআয়ুক্ত আইন, ১৯৭৩ গ্ৰহণৰ দ্বাৰা, ইত্যাদি। ১৯৭১ চনত মহাৰাষ্ট্ৰ চৰকাৰে লোকআয়ুক্ত নিযুক্তি দি এই ক্ষেত্ৰত প্ৰথমখন ৰাজ্য হিচাপে পৰিগণিত হৈছিল। লোকআয়ুক্ত আইন হিমাচল প্ৰদেশ, কৰ্ণাটক, গুজৰাট, অন্ধ্ৰপ্ৰদেশ, ইত্যাদি ৰাজ্যসমূহতো প্ৰণয়ন কৰা হৈছে।



জানি থোৱা ভাল

ৰাজ্যপালে বিৰোধী দলপতিৰ লগত আলোচনা কৰি লোকআয়ুক্তক নিযুক্তি দিয়ে; যদিও উপ-লোকআয়ুক্তক নিযুক্তি দিয়াৰ পূৰ্বে লোকআয়ুক্তৰ লগত আলোচনা কৰিব লাগে। উপ-লোকআয়ুক্তই মন্ত্ৰীসকলৰ বাহিৰে অন্যান্য বিষয়াসকলক বিভিন্ন অভিযোগৰ ভিত্তিত সোধ-পোছ কৰিব পাৰে।

বিভিন্ন ৰাজ্যত কাৰ্যকৰী হৈ থকা লোকআয়ুক্তসমূহে স্পষ্টকৈ দৰ্শাইছে যে তেওঁলোকে সহজেই ভাৰতৰ সাংবিধানিক গাঁথনিৰ পৰা মুক্ত হ'ব পাৰে আৰু তেওঁলোকৰ কৰ্তব্য অধিক সক্ৰিয়তাৰে পালন কৰিবলৈ মন্ত্ৰী আৰু চৰকাৰী কৰ্মচাৰীসকলৰ সহযোগিতাৰ প্ৰয়োজন। প্ৰশাসনৰ ক্ষমতাৰ অপব্যৱহাৰ ৰোধৰ ক্ষেত্ৰত প্ৰধান গুৰুত্বপূৰ্ণ পদক্ষেপেই হৈছে লোকআয়ুক্ত পদৰ বাবে সঠিক ব্যক্তি নিৰ্বাচন কৰা।

১৯৮৬ চনৰ মে' মাহত ছিমলাত প্ৰথমখন সৰ্বভাৰতীয় লোকআয়ুক্ত আৰু উপ-লোকআয়ুক্ত সম্মিলন অনুষ্ঠিত হৈছিল। এই সম্মিলনে বিশদ আলোচনাৰ পিছত লোকআয়ুক্ত অনুষ্ঠানটো অধিক কাৰ্যক্ষম কৰিবলৈ তলৰ পৰামৰ্শসমূহ আগবঢ়াইছিল—

১। লোকআয়ুক্ত আৰু উপ-লোকআয়ুক্ত অনুষ্ঠানটোক সাংবিধানিক মৰ্যাদা দিব লাগে।

২। প্ৰতিখন ৰাজ্যত ইয়াৰ নামকৰণ লোকআয়ুক্ত হোৱা উচিত।

৩। সমগ্ৰ ভাৰততে লোকপাল আৰু লোকআয়ুক্তসমূহৰ কৰ্ম-চৰ্তসমূহ একেই হ'ব লাগে।

৪। লোকআয়ুক্ত। উপ-লোকআয়ুক্তৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণৰ এটা স্বতন্ত্ৰীয় পৃথক অনুসন্ধানকাৰী সংস্থা থাকিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ চৰকাৰে ..... ৰ পৰামৰ্শৰ ভিত্তিত প্ৰথমবাৰৰ বাবে লোকপাল আৰু লোকআয়ুক্ত বিধেয়ক, ১৯৬৮ উত্থাপন কাৰ। (খালী ঠাই পূৰ কৰক)

.....

প্ৰশ্ন নং ৬ঃ লোকপাল বিধেয়ক, ২০০৩এ প্ৰধানমন্ত্ৰীৰ কাৰ্যকলাপো লোকপালৰ ক্ষমতাৰ পৰিধিলৈ আনিছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৭ঃ কোনখন ৰাজ্যই প্ৰথমে লোকআয়ুক্ত বিধেয়ক, ১৯৭১ গ্ৰহণ কৰিছিল?

.....

প্ৰশ্ন নং ৮ঃ ভাৰতৰ লোকপাল অনুষ্ঠানৰ বিষয়ে এটা চমুটোকা লিখক। (৫০টা শব্দৰ ভিতৰত)

.....

১৪.৫ তথ্য জনাৰ অধিকাৰ আইন, ২০০৫

১৪.৫.১ তথ্য জনাৰ অধিকাৰ আইন, ২০০৫ৰ পটভূমি

আমি আজি গণতান্ত্ৰিক যুগত বাস কৰি আছো। গণতন্ত্ৰ এনে এক চৰকাৰ ব্যৱস্থা য'ত প্ৰধানকৈ জনকল্যাণক গুৰুত্ব দিয়া হয়। গণতান্ত্ৰিক চৰকাৰ এখনে জনসাধাৰণৰ বিশ্বাসৰ আধাৰ হিচাপে কাম কৰিব লাগে আৰু সেয়েহে মুক্ত আৰু স্বচ্ছভাৱে ইয়াৰ কাৰ্য সম্পাদন কৰিব লাগে। গণতন্ত্ৰৰ প্ৰধান লক্ষ্যণেই হৈছে মুক্ত আৰু স্বচ্ছ প্ৰশাসন। গতিকে গণতান্ত্ৰিক ব্যৱস্থাত চৰকাৰ নিজৰ কাৰ্যাৱলীৰ বাবে জনসাধাৰণৰ ওচৰত দায়বদ্ধ হৈ থাকিব লাগে।

অৱশ্যে, যদিও মুক্ত আৰু স্বচ্ছতাই চৰকাৰৰ প্ৰশাসনীয় ভুলসমূহ কমাই আৰু ই গণতান্ত্ৰিক জীৱনশৈলীৰ অনুৰূপ; তৎসত্ত্বেও চৰকাৰে নিজৰ গোপনীয়তা ৰক্ষাৰ অধিকাৰ ত্যাগ কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰে। অৱশ্যে এইটো অস্বীকাৰ কৰিব নোৱাৰি যে চৰকাৰী প্ৰশাসনৰ কেতবোৰ উপাদান, বিশেষকৈ বৈদেশিক সম্পৰ্কৰ ক্ষেত্ৰত, ৰাষ্ট্ৰীয় স্বাৰ্থ আৰু নিৰাপত্তাৰ ক্ষেত্ৰত কিছু গোপনীয়তা অৱলম্বন কৰিব লাগে। কিন্তু চৰকাৰে ইয়াৰ সুবিধা গ্ৰহণ কৰি সময়ে সময়ে ৰাষ্ট্ৰীয় স্বাৰ্থৰ দোহাই দি প্ৰশাসনীয় ভুলসমূহৰ ওপৰতো পৰ্দা দি আহিছে। গোপনীয়তাৰ এই পৰ্দাই দুৰ্নীতি বিকাশতো সহায় কৰে।

তথাপিও, লাহে লাহে জনসাধাৰণে 'জনাৰ অধিকাৰ'ৰ বিষয়ে দাবী কৰিবলৈ আৰম্ভ কৰিছে। মানৱ অধিকাৰ আন্দোলনৰ উন্মেষেও এই দাবীক অধিক গতি প্ৰদান

কৰে। গণতান্ত্ৰিক চৰকাৰৰ জনসাধাৰণৰ পৰা কোনো তথ্য গোপনীয়তা ৰক্ষাৰ কোনো অধিকাৰ নাথাকে বুলি সততে কোৱা হয়।

জানি থোৱা ভাল



আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিধানমণ্ডল কংগ্ৰেছে ১৯৬৬ চনত তথ্য স্বাধীনতা আইন প্ৰণয়ন কৰে আৰু ইয়াৰ জৰিয়তে এজন আমেৰিকান নাগৰিকে যিকোনো চৰকাৰী তথ্য সম্বন্ধে জানিব পাৰে। এই অধিকাৰ সাংবিধানিক; অৰ্থাৎ কোনো নাগৰিকে এই অধিকাৰ খৰ্বৰ বিৰুদ্ধে আদালতৰ সহায় ল'ব পাৰে। অৱশ্যে এই অধিকাৰৰ ওপৰত সময় সাপেক্ষে যুক্তিসংগত বাধা আৰোপ কৰিব পাৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ন্যায়পালিকাইও জনসাধাৰণৰ 'জনাৰ অধিকাৰ'ৰ ওপৰত যথেষ্ট গুৰুত্ব দিছে।

নিউয়র্ক টাইমছ্ বনাম আমেৰিকাৰ যুক্তৰাষ্ট্ৰ গোচৰৰ ন্যায়াধীশ ডগ্লাছে মন্তব্য দিছিল, 'চৰকাৰৰ গোপনীয়তা মৌলিকভাৱে গণতন্ত্ৰবিৰোধী, আমোলাতান্ত্ৰিক ভুলৰ স্থায়ীকৰণ। জনস্বাৰ্থ জড়িত বিষয়সমূহত সম্পূৰ্ণ তথ্যভিত্তিক মুক্ত আলোচনা আৰু যুক্তি-তৰ্কই হৈছে আমাৰ ৰাষ্ট্ৰৰ প্ৰাণস্বৰূপ।'

১৪.৫.২ তথ্য জনাৰ অধিকাৰ আইন, ২০০৫ৰ বিকাশ

ভাৰতীয় সংবিধানে মৌলিক অধিকাৰ আৰু ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিৰ যোগেদি বিভিন্ন অধিকাৰ আৰু স্বাধীনতা সন্নিৰিষ্ট কৰিছে আৰু এক স্বতন্ত্ৰীয় ন্যায়িক ব্যৱস্থাৰ জৰিয়তে এই অধিকাৰসমূহক সুৰক্ষা আৰু বলৱৎ কৰিবলৈ বিচৰা হৈছে।

মানৱ অধিকাৰ ধাৰণাৰ উন্নতিৰ লগে লগে 'জনাৰ অধিকাৰ'ৰ বিষয়েও নিৰন্তৰ দাবী উত্থাপন হৈ আহিছে। অৱশ্যে, ভাৰতৰ ন্যায়ালয়ে ভাৰতীয় নাগৰিকৰ 'জনাৰ অধিকাৰ'ক স্বীকৃতি দি এই বিষয়টোক অধিক গুৰুত্বপূৰ্ণ কৰি তুলিছে। এছ পি গুপ্তা বনাম ভাৰত চৰকাৰ গোচৰত উচ্চতম ন্যায়ালয়ে 'জনাৰ অধিকাৰ'ক সক্ৰিয় গণতান্ত্ৰিক অংশগ্ৰহণৰ প্ৰধান উপাদান বুলি মন্তব্য দিছে আৰু এই অধিকাৰক মৌলিক অধিকাৰৰ মর্যাদা প্ৰদান কৰি কৈছে এই অধিকাৰ অনুচ্ছেদ ১৯ (১) (ক)ত অন্তর্নিহিত হৈ আছে।

সকলো ধৰণৰ সংশয় আঁতৰোৱাৰ বাবে আৰু ভাৰতীয় গণতন্ত্ৰক শক্তিশালী কৰাৰ বাবে সংসদে ২০০৫ চনৰ ১৫ জুন তাৰিখে তথ্য জনাৰ অধিকাৰ আইন প্ৰণয়ন কৰে। ইয়াক সম্পূৰ্ণভাৱে বলৱৎ কৰা হয় ২০০৫ চনৰ ১২ অক্টোবৰ তাৰিখে। এই আইনে সম্পূৰ্ণভাৱে প্ৰশাসনীয় স্বভাৱক সলাই পেলোৱাৰ লগতে মুক্ত, স্বচ্ছ আৰু দায়িত্বশীল প্ৰশাসন গঢ়াৰ আশা কৰা হৈছিল। ইয়াৰ মূল উদ্দেশ্য আছিল তথ্য স্বাধীনতা আইন, ২০০২ক অধিক অর্থপূৰ্ণ, গতিশীল আৰু অংশগ্ৰহণযোগ্য কৰি তোলা। ইয়াৰ

পূৰ্বতে বিশেষজ্ঞৰ নিৰ্দেশ অবিহনে কোনো তথ্য মুকলি কৰাটো চৰকাৰী গোপনীয়তা আইন, ১৯২৩ অনুসৰি অপৰাধ বুলি গণ্য কৰা হৈছিল।

তথ্য জনাৰ অধিকাৰ আইন, ২০০৫ৰ মুখ্য উদ্দেশ্য হৈছে স্বচ্ছ আৰু দায়বদ্ধ চৰকাৰৰ নিশ্চয়তা আৰু দুৰ্নীতি প্ৰতিৰোধ কৰা। দুৰ্নীতি নামৰ সামাজিক ব্যাধিক কেৱল সজাগ আৰু তথ্য অৱগত নাগৰিকৰ যোগেদিহে নিৰ্মূল কৰা সম্ভৱ।

তথ্য জনাৰ অধিকাৰ আইন, ২০০৫এ সকলো চৰকাৰী কৰ্তৃপক্ষক জনসাধাৰণে জানিবলৈ বিচৰা তথ্যসমূহ সঠিকভাৱে দিবলৈ বাধ্য কৰিছিল। অৱশ্যে, এইটোও মনত ৰাখিব লাগিব যে ৰাজহুৱা স্বাৰ্থ আৰু সংৰক্ষিত স্বাৰ্থৰ মাজত এক ভাৰসাম্য থাকিব লাগিব। ৰাষ্ট্ৰীয় স্বাৰ্থ সুৰক্ষিত কৰাৰ স্বাৰ্থত চৰকাৰী প্ৰশাসনৰ কেতবোৰ উপাদান গোপন কৰিবলগীয়া হয় আৰু ইয়াক ২০০৫ চনত আইনৰ ৮(২) ধাৰাত লিপিবদ্ধ কৰা হৈছে।

১৪.৫.৩ তথ্য জনাৰ অধিকাৰ আইন, ২০০৫ৰ গুৰুত্বপূৰ্ণ উপবন্ধসমূহ

তথ্য জনাৰ অধিকাৰ আইন, ২০০৫ৰ এই অধ্যয়নে আইনখনৰ মুখ্য উদ্দেশ্যসমূহক বুজাত সহায় কৰিব ঃ

- চৰকাৰী কৰ্তৃপক্ষই চৰকাৰী সকলো তথ্য জনসাধাৰণক প্ৰদান কৰাৰ বাধ্যবাধকতাৰ জৰিয়তে এই আইনে নিকা আৰু দায়বদ্ধ প্ৰশাসন নিশ্চিত কৰি জনসাধাৰণক অধিক ক্ষমতা প্ৰদান কৰিছে। এই উদ্দেশ্যৰ বাবে, এই আইনে কেন্দ্ৰীয় তথ্য আয়োগ আৰু ৰাজ্যিক তথ্য আয়োগসমূহৰ গঠন কৰিছে।
- আইনখনৰ প্ৰথম ধাৰাই আইনখনক তথ্য জনাৰ অধিকাৰ আইন, ২০০৫ বুলি আখ্যা দিছে।
- আইনখনৰ দ্বিতীয় ধাৰাত আইনখন জম্মু-কাশ্মীৰৰ বাহিৰে সমগ্ৰ ভাৰততে বলৱৎ হ'ব বুলি উল্লেখ আছে।
- আইনখনৰ তৃতীয় ধাৰাই দেশৰ সকলো নাগৰিকক তথ্য জনাৰ অধিকাৰ প্ৰদান কৰিছে। নাগৰিকৰ বাহিৰে অন্য ব্যক্তিক এই অধিকাৰ প্ৰদান কৰা হোৱা নাই।
- আইনৰ চতুৰ্থ ধাৰাত চৰকাৰী কৰ্তৃপক্ষৰ বাধ্যবাধকতাৰ বিষয়ে আলোচনা কৰা হৈছে আৰু পঞ্চম ধাৰাত তথ্য জনাৰ অধিকাৰ আইনৰ অন্তৰ্ভুক্ত প্ৰধান বিষয়া সমূহৰ বিষয়ে উল্লেখ আছে।
- ষষ্ঠ ধাৰাত তথ্য পাবৰ বাবে প্ৰয়োজনীয় আবেদনৰ বিষয়ে আলোচনা কৰা হৈছে।
- সপ্তম ধাৰাত আবেদন নিষ্পত্তি কৰাৰ বিষয়ে আলোচনা কৰা হৈছে। সাধাৰণতে, তথ্যসমূহ আবেদন পোৱাৰ ৩০ দিনৰ ভিতৰত দিব লাগে। অৱশ্যে কোনো ব্যক্তিৰ জীৱন বা স্বাধীনতাৰ লগত জড়িত বিষয় হ'লে ৪৮ ঘণ্টাৰ ভিতৰত এই তথ্য প্ৰদান কৰিব লাগে।

- আইনৰ অষ্টম ধাৰাটো অতিকৈ গুৰুত্বপূৰ্ণ আৰু ইয়াত আলোচনা কৰা হৈছে কিছুমান তথ্যৰ বিষয়ে যিবোৰ মুকলি কৰি দিয়াৰ পৰা নিষেধ কৰা হৈছে। উদাহৰণস্বৰূপে, ভাৰতৰ সাৰ্বভৌমত্ব আৰু ঐক্যত আঘাত হানিব পৰা তথ্য, কোনো বিদেশী চৰকাৰৰ পৰা বিশ্বস্ত হিচাপে লাভ কৰা তথ্য, মন্ত্ৰী পৰিষদৰ মাজৰ আলোচনাকে ধৰি যিকোনো কেবিনেট নথি-পত্ৰ, সচিব আৰু অন্যান্য বিষয়াৰ নথি-পত্ৰৰ তথ্য, ইত্যাদি। সেইদৰে অষ্টম ধাৰাই ৰাজহুৱা স্বাৰ্থ আৰু সংৰক্ষিত স্বাৰ্থৰ মাজত এক ভাৰসাম্য ৰক্ষা কৰিছে।
- নৱম ধাৰাত কিছুমান ক্ষেত্ৰত তথ্য প্ৰদান অস্বীকাৰ কৰা হৈছে।
- দশম ধাৰাত কিছুমান তথ্য জনাৰ আবেদনৰ বিষয়ে আলোচনা কৰা হৈছে; যিবোৰ তথ্য আইনখনত বা ইয়াৰ কোনো অংশৰ পৰা বাহিৰত আছে।

এইদৰে আমি তথ্য জনাৰ অধিকাৰ আইন, ২০০৫ৰ কিছুমান গুৰুত্বপূৰ্ণ ধাৰাৰ বিষয়ে আলোচনা কৰিলো। এই আইনখনত মুঠ ৩১টা ধাৰা আছে। এই আইনৰ কিছুমান গুৰুত্বপূৰ্ণ বৈশিষ্ট্য তলত উল্লেখ কৰা ধৰণৰ ঃ

ক) এই আইনখন জম্মু-কাশ্মীৰৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়।

খ) তথ্য জনাৰ অধিকাৰ মৌলিক অধিকাৰ নহয়; ই এক সাংবিধানিক অধিকাৰ।

গ) এইটো কেৱল নাগৰিকৰ বাবেহে উপলব্ধ

ঘ) জনসাধাৰণে বিচৰা তথ্যসমূহ দিবলৈ চৰকাৰী কৰ্তৃপক্ষক এই আইনে বাধ্য কৰাইছে।

ঙ) ৰাজহুৱা স্বাৰ্থ আৰু সংৰক্ষিত স্বাৰ্থৰ মাজত এই আইনে এক ভাৰসাম্য ৰক্ষা কৰিছে। এই আইনে ৰাষ্ট্ৰীয় নিৰাপত্তা নিশ্চিত কৰাৰ বাবে প্ৰয়োজনীয় চৰকাৰী প্ৰশাসনৰ উপাদানসমূহ গোপন কৰাৰ কথাও দোহাৰে।



চিন্তা-চৰ্চা কৰক ৫.১

আপোনালোকৰ অঞ্চলৰ কোনো ৰাজহুৱা স্বাৰ্থজড়িত বিষয়ৰ তথ্য জনাৰ ক্ষেত্ৰত তথ্য জনাৰ অধিকাৰ আইনৰ আশ্ৰয় লোৱা হ'ব বুলি আপুনি ভাবেনে?

.....

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ঃ তথ্য জনাৰ অধিকাৰ আইন সংসদত গৃহীত হয় ..... চনৰ ..... তাৰিখে।

(খালী ঠাই পূৰ কৰক)

প্ৰশ্ন নং ১০ঃ তথ্য জনাৰ অধিকাৰ আইন, ২০০৫ৰ যিকোনো চাৰিটা উপবন্ধ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ১১ঃ তথ্য জনাৰ অধিকাৰ আইন, ২০০৫ৰ যিকোনো দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ১২ঃ কোনটো গোচৰত উচ্চতম ন্যায়ালয়ে মন্তব্য দিছিল যে 'জনাৰ অধিকাৰ' মৌলিক অধিকাৰৰ ১৯(১) (ক) অনুচ্ছেদত অন্তর্নিহিত হৈ আছে।

.....

.....



১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অম্বুড্চ্মেন হৈছে জনসাধাৰণৰ অভিযোগ প্ৰতিকাৰৰ এক ব্যৱস্থাপনা আৰু আৰম্ভণিতে ই কেৱল স্কেণ্ডিনেভিয়ান দেশসমূহতহে প্ৰচলিত আছিল। অম্বুড্চ্মেন হৈছে এক চুইডিছ শব্দ আৰু ইয়াৰ অৰ্থ হৈছে চৰকাৰী কৰ্তৃপক্ষৰ কু-শাসনৰ বিৰুদ্ধে দিয়া অভিযোগসমূহৰ নিষ্পত্তি কৰাৰ বাবে বিধানমণ্ডলে নিযুক্তি দিয়া 'কমিছনাৰ' বা 'বিষয়া'। ১৯৬২ চনত প্ৰথমখন 'কমনৱেলথ্' দেশ হিচাপে নিউজিলেণ্ডে ইয়াক গ্ৰহণ কৰে।
- স্বাধীনতাৰ সময়ৰ পৰাই ভাৰতবৰ্ষত জনসাধাৰণৰ অভিযোগ প্ৰতিকাৰৰ বিষয়টোৱে বিশেষ গুৰুত্ব লাভ কৰি আহিছে। ১৯৪৭ চনত দুৰ্নীতি-প্ৰতিৰোধক বিধেয়কখন আইনত পৰিণত হয়। প্ৰতিৰোধৰ বাবে বিভিন্ন সমিতি-আয়োগ গঠন কৰি অহা হৈছে আৰু বিভিন্ন সমিতি আয়োগসমূহেও বিভিন্ন পৰামৰ্শ দি আহিছে।
- ভাৰত চৰকাৰে ১৯৬৮ চনত পোন প্ৰথমবাৰৰবাবে লোকপাল আৰু লোকআয়ুক্ত বিধেয়কখন সংসদত উত্থাপন কৰে; কিন্তু পিছত বিধেয়কখন খাৰিজ হয়। তেতিয়াৰে পৰা বিভিন্ন সময়ত এই বিধেয়কখন সদনত উত্থাপন হৈ আহিছে যদিও ই আইনত পৰিণত নহ'ল।
- অৱশেষত, ২০১১ চনৰ ডিচেম্বৰত লোকসভাই লোকপাল আৰু লোক আয়ুক্ত বিধেয়ক, ২০১১ৰ অনুমোদন জনায়। এই বিধেয়ক অনুসৰি লোকপালত ৯জন সদস্য থাকিব লাগিব। লোকআয়ুক্ত আইন, ১৯৭১ গ্ৰহণ কৰি উৰিষ্যা লোক আয়ুক্ত অনুষ্ঠান থকা প্ৰথমখন

ৰাজ্যত হিচাপে পৰিণত হৈছিল।

- তথ্য জনাৰ অধিকাৰ আইন, ২০০৫এ সকলো চৰকাৰী কৰ্তৃপক্ষক জনসাধাৰণে জানিবলৈ বিচৰা তথ্যসমূহ সঠিকভাৱে দিবলৈ বাধ্য কৰিছিল। সাধাৰণতে, তথ্যসমূহ আবেদন পোৱাৰ ৩০ দিনৰ ভিতৰত দিব লাগে।



১৪.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ ২০০৬। *লোক প্ৰশাসন পৰিচয়* । ডিব্ৰুগড় ঃ বনলতা।

২) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ ২০০৭। *স্নাতক মহলাৰ লোক প্ৰশাসন*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

৩) হাজৰিকা,ড° নিৰু ২০০৯। *স্নাতক লোক প্ৰশাসন* । গুৱাহাটী ঃ ষ্টুডেন্ট্চ ষ্টোৰচ।

ইংৰাজী গ্ৰন্থ ঃ

1) *Avasthi, Amreswar, & Avasthi, Anand Prakash (1999).*Indian Administration. *Agra:Lakshmi Narain Agarwal.*

2) *Bhagwan, Vishnoo, & Bhushan, Vidya.(2007).* Public Administration. *New Delhi:S.Chand & Company Ltd.*

3) *Maheshwari, S.R. (2003).* Indian Administration.*New Delhi:Orient Longman.*

4) *Sharma, Dr.M.P. , & Sadana, Dr.B.L. (2000).* Public Administration in Theory and Practice. *Allahabad: Kitab Mahal.*

5) *Sood, R.P. (2008).* Right to Information. *Jaipur: Sublime Publications.* Theory and Practice. *Allahabad: Kitab Mahal.*



১৪.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ শুদ্ধ।

২ নং প্ৰশ্নৰ উত্তৰঃ নিউজিলেণ্ড।

৩ নং প্ৰশ্নৰ উত্তৰঃ লোকআয়ুক্ত।

৪ নং প্ৰশ্নৰ উত্তৰঃ অশুদ্ধ।

৫ নং প্ৰশ্নৰ উত্তৰঃ প্ৰশাসনীয় সংস্কাৰ আয়োগ।

৬ নং প্ৰশ্নৰ উত্তৰঃ শুদ্ধ।

৭ নং প্ৰশ্নৰ উত্তৰঃ উৰিষ্যা।

৮ নং প্ৰশ্নৰ উত্তৰঃ স্বাধীনতাৰ সময়ৰ পৰাই জনসাধাৰণে অভিযোগ প্ৰতিকাৰ ব্যৱস্থাৰ বিষয়টোৱে গুৰুত্ব লাভ কৰি আহিছে। এই দিশত উল্লেখযোগ্য ব্যৱস্থাও গ্ৰহণ কৰি অহা হৈছে। অৱশ্যে, এতিয়াও অধিক কাৰ্যক্ষম আৰু সক্ৰিয় নতুন ব্যৱস্থা উদ্ভাৱনৰ বিষয়ে চিন্তা-চৰ্চা চলি আছে। প্ৰশাসনীয় সংস্কাৰ আয়োগৰ পৰামৰ্শৰ ভিত্তিত চৰকাৰে পোন প্ৰথমবাৰৰ বাবে ১৯৬৮ চনত সংসদত লোকপাল আৰু লোকআয়ুক্ত বিধেয়ক উত্থাপন কৰে যদিও ই সংসদত গৃহীত নহ'ল। তেতিয়াৰে পৰা বিভিন্ন সময়ত বিধেয়কখন সংসদত উত্থাপন কৰা হয় যদিও ই আইনত পৰিণত হোৱাত ব্যৰ্থ হয়। শেষতীয়াকৈ ২০০৩ চনত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা চৰকাৰে সংসদত এই বিধেয়কখন উত্থাপন কৰে। এই বিধেয়কখনে প্ৰধানমন্ত্ৰীৰ কাৰ্যকলাপো লোকপালৰ আয়ত্তলৈ অনাৰ প্ৰস্তাৱ আগবঢ়ায়। কিন্তু পূৰ্বৰ দৰে এই বিধেয়কখনো বিফল হ'ল; কাৰণ বিধেয়কখন গৃহীত হোৱাৰ পূৰ্বেই সংসদখন ভংগ হৈছিল।

৯ নং প্ৰশ্নৰ উত্তৰঃ ১৫ জুন, ২০০৫।

১০ নং প্ৰশ্নৰ উত্তৰঃ ক) আইনখনৰ ২নং ধাৰাত উল্লেখ আছে যে এই আইনখন জম্মু-কাশ্মীৰৰ বাহিৰে সমগ্ৰ দেশতে প্ৰবৰ্তন কৰা হ'ব।

খ) আইনখনৰ ৩নং ধাৰা অনুসৰি দেশৰ সকলো নাগৰিককে তথ্য জনাৰ অধিকাৰ প্ৰদান কৰা হ'ব। নাগৰিকৰ বাহিৰে অন্য লোকক এই অধিকাৰ প্ৰদান কৰা নহ'ব।

গ) ৪র্থ ধাৰাই চৰকাৰী কৰ্তৃপক্ষৰ বাধ্যবাধকতাৰ বিষয়ে আলোচনা কৰিছে।

ঘ) ৬ষ্ঠ ধাৰাই তথ্য পাবৰ বাবে প্ৰয়োজনীয় আবেদনৰ বিষয়ে আলোচনা কৰিছে।

১১ নং প্ৰশ্নৰ উত্তৰঃ ক) তথ্য জনাৰ অধিকাৰ মৌলিক অধিকাৰ নহয়। ই এক সাংবিধানিক অধিকাৰহে।

খ) এই অধিকাৰ কেৱল নাগৰিকৰ বাবেহে উপলব্ধ।

১২ নং প্ৰশ্নৰ উত্তৰঃ এছ পি গুপ্তা বনাম ভাৰত চৰকাৰ গোচৰ।